# দুখন ভৰি

চৈয়দ আব্দুল মালিক

বগা, ধুনীয়া দুখন ভৰি।

কোমল আৰু মিহি।

কিবা ৰকমে পাটৰ মেখেলাখন অলপ উজাৰ খাই থকাৰ কাৰণে কলাফুললৈকে দুয়োখন ভৰি ওলাই আছিল। ৰঙা ভেলভেটৰ ছেণ্ডেলযোৰে পূৰঠ ভৰি দুখন আৰু ধুনীয়া কৰি তুলিছিল।

দুয়োখন ভৰি আমাৰ দুয়োৰে চকুত পৰিছিল—হয়তো আমাৰ শাৰীত বহা অন্যৰো চকুত পৰিছিল।

আমি প্ৰথম শাৰীতে বহিছিলোঁ—মই আৰু সত্যেন।

ৰায়বাহাদুৰ ব্ৰজেন ফুকনৰ ডাঙৰ জোঁৱায়েক আমেৰিকাৰপৰা বিশেষ শিক্ষা লৈ আহি পোৱাৰ উপলক্ষে প্ৰীতি-সন্ধিয়াৰ আয়োজন হৈছিল। নাচ-গান আৰু অলপ ইনফৰ্মেল বক্তৃতাৰ পিছত খোৱাৰ নিমন্ত্ৰণ আছিল।

গান গাইছিল ৰায়বাহাদুৰৰ চতুৰ্থ ছোৱালী শ্ৰীমতী অমলাই। মেজখনৰ তলেদি এই অমলাৰ ভৰিয়েই আমাৰ চকুত পৰিছিল—মোৰ আৰু সত্যেনৰ।

মই অৱশ্যে শীঘ্ৰে, সন্তৰ্পণে ভৰিৰপৰা চকু ওপৰলৈ নিলোঁ। যি কাৰণতেই নহওক, এজনী ছোৱালীৰ ভৰিলৈ চাই থকাটো ৰুচি-বিৰুদ্ধ কথা! তাতে আমি নিমন্ত্ৰণ পাই যোৱা নিলগীয়া অতিথি।

বহুতৰ কাৰণে ৰায়বাহাদুৰৰ নিচিনা নগৰৰ লেখৰ মুৰব্বী এজনৰ ঘৰলৈ এনে এটা উপলক্ষে নিমন্ত্ৰণ পোৱাটো এটা লেখত ল'বলগীয়া কথা। তাতোকৈ আকৰ্ষণীয় কথা ছিলঙৰ লেডীকীনৰপৰা বি. এ. পাছ কৰি দেউতাকৰ টকা আৰু ডাঙৰ ভিনিহিয়েক তিনিজনৰ আলাসৰ লাডু হৈ থকা অমলাৰ অভ্যৰ্থনা আৰু গান।



স্বীকাৰ কৰিছোঁ অমলাই ভাল গায়, মাতটো মিঠা, সুৰৰ জ্ঞান আছে ভাল।

আৰু স্বীকাৰ কৰিছোঁ অমলা বৰ ৰূপহী ছোৱালী, অমলাৰ মুখলৈ এবাৰ চালে চকু তললৈ নমাই ভৰিলৈ নোচোৱাকৈ তিনি ঘণ্টা থাকিব পাৰি।

অৱশ্যে গান গাবৰ সময়ত মই যেতিয়া অমলাৰ মুখলৈ থৰ লাগি চাই আছিলোঁ, তেতিয়া সত্যেনে যদি অমলাৰ ভৰিলৈ হে চাই আছিল মই ক'ব নোৱাৰোঁ। এজনী ছোৱালীৰ মুখখনতকৈ ভৰি দুখন বেছি ধুনীয়া হ'ব পাৰে নে নোৱাৰে সেই বিষয়ে নিৰ্ভুল মন্তব্য লংবীচৰ বিশ্বৰ সৌন্দৰ্য্য প্ৰতিযোগিতা পতা সৌন্দৰ্য্যৰ সমালোচকসকলে হে দিব পাৰিব। মাৰ্লিন ডায়েট্ৰিচৰ (এই পৃথিৱীবিখ্যাত সুন্দৰী অভিনেত্ৰীৰ কথা বহুতে জানে) ভৰি দুখন (legs) হেনো পঞ্চাছ লাখ পাউণ্ড নে কিমানত ইন্সিওৰ কৰা আছিল। অমলাৰ নামতো বাপেকে নিশ্চয় পঁচিছ-ত্ৰিছ হাজাৰৰ ইন্সিওৰ কৰাই ৰখাটো স্বাভাৱিক কথা। কিন্তু অকল ভৰি দুখনৰ নহয়, ভৰি সমন্বিতে গোটেই মানুহজনীৰ।

ৰাতি ১১॥ বজাত আমি দুয়ো ৰায়বাহাদুৰ, জোঁৱায়েক আৰু অমলাৰপৰা বিদায় ল'লোঁ। অমলাৰ কথা-বতৰাবোৰ আমাৰ ভালেই লাগিল।

বাটতে সত্যেনকে সুধিলোঁ, "কেনে লাগিল অমলাক?"

সত্যেনে হয়তো অমলাৰ চিন্তাকে কৰি আহিছিল। ক'লে, "ভৰি দুখন বৰ ধুনীয়া। ভাল ছোৱালী।"

সত্যেনৰ উত্তৰটো অলপ অস্বাভাৱিক যেন লাগিল। অৱশ্যে তেওঁ অলপ ভাবুক ধৰণৰ মানুহ—সদায় কম কথা কয়। তেওঁৰ নিশ্চয় এজনী ছোৱালীৰ বিষয়ে এনেকৈ কোৱাৰ কিবা যুক্তি আছে।

মোৰ কৌতূহলক আৰু আগবাঢ়িবলৈ নিদি তাৰ পিছত সত্যেনে নিজেই ক'লে, "আপুনি মন কৰিলেনে অমলাৰ ভৰি দুখন? বাস্তৱিকতে এজনী ছোৱালীৰ ভৰি ইমান ধুনীয়া থাকিব পাৰে বুলি মই নাজানিছিলোঁ।"

"অমলা ছোৱালীজনীয়েই ধুনীয়া"—মই ক'লোঁ। তাৰ চাৰি দিনৰ পিছত সত্যেনে ক'লে, "যদি দিয়ে অমলাক মই বিয়া কৰাম বুলি ভাবিছোঁ।"

কথাষাৰ আছিল অপ্ৰত্যাশিত, কিন্তু সত্যেনৰ কথাত কোনো অস্বাভাৱিকতা নাছিল।

ছোৱালীজনীৰ ভৰি দুখন ধুনীয়া।

"সেয়ে হ'লেতো বৰ ভাল কথা হয়, সঁচাকৈয়ে কৈছে নেকি আপুনি?"

সদায় ভাবুক আৰু গহীন ধৰণৰ সত্যেনে একপ্ৰকাৰ উচ্ছ্বাসেৰেই ক'লে, "আপুনি বাৰু কথাটো ঠিক কৰি দিয়ক—সঁচাকৈ কৈছোঁ নে মিছাকৈ কৈছোঁ দেখিব নহয়।"

আগে-পিছে এনে ধৰণৰ ঘটকালী কৰি পোৱা নাই। মোৰো ভালেই লাগিল, খবৰ লৈ জানিলোঁ ৰায়বাহাদুৰে অমলাৰ কাৰণে ভাল পাত্ৰ বিচাৰিয়ে ফুৰিছে, আৰু আজি ডেৰ বছৰৰ আগতে আহি সত্যেনে ইয়াত ওকালতি কৰিবলৈ আৰম্ভ কৰাৰ দিন ধৰি তেওঁক হাত কৰাৰ চেষ্টা কৰি আছে! আগবাঢ়িবলৈ সুবিধা পালোঁ।

চাৰি বছৰৰ আগতে মোৰ বিয়া হৈ গৈছিল, অৱশ্যে এনে আকস্মিকভাৱে নহয়। এম. এছ-চি. পাছ কৰি কি কৰিম ভাবি থাকোঁতেই ই. এ. চি. কামটো পালোঁ, তাৰ ছমাহৰ পিছতে মাইঁতে বিয়া পাতিলে। আগৰ চিনাকি ছোৱালী আছিল—পূৰ্ব্বৰাগ-অনুৰাগৰ অনুশীলনৰ সময়-সুযোগ নহ'ল।

পিছে দাম্পত্য জীৱনটো ভালেই কাটিছে যেন লাগে। মোৰ ঘৰৰ কাষৰ ভাৰা ঘৰটোতে সত্যেন থাকে। আমি প্ৰতিবেশীও, বন্ধুও।

সত্যেন ভাল ছাত্ৰ আছিল। বৰ তীক্ষ্ণ বুদ্ধিৰ আৰু বৰ মেধাবী। সভাই-সমিতিয়ে বক্তৃতা দি নুফুৰে যদিও ছাত্ৰ অৱস্থাত নানা ৰাজহুৱা কামত নেতৃত্ব লৈছিল। '৪২-ত জেললৈ যোৱা নাছিল, তেতিয়া তেওঁ স্কুলীয়া ছাত্ৰ, কিন্তু দেশৰ মুক্তি আন্দোলনত এজন ডেকা হিচাপে তেওঁ বৰগুণি নিদিয়া নহয়। তেওঁ এজন ভাল ৰাজনৈতিক চিন্তাবিদ আৰু সাংবাদিক। ইংৰাজী-অসমীয়া দুয়োটা ভাষাত ধুনীয়া শক্তিশালী প্ৰবন্ধ লিখে।

ওকালতিত মনৰ স্বাধীনতা অটুট ৰখা যায়।

সত্যেনে লেখা-পঢ়া প্ৰচুৰ কৰে আৰু সেই কাৰণেই হয়তো কথা কম কয়।

দেখাই-মেলাই সত্যেন ধুনীয়া ডেকা।

আগেয়ে কেতিয়াবা কোনো ছোৱালীৰ প্ৰেমত পৰিছিলনে নাই এতিয়া জানিবলৈ বিচৰা অপ্ৰাসংগিক কথা। হয়তো পৰিছিল, কিন্তু কাকো যেতিয়া আজিলৈকে বিয়া কৰোৱা নাই, সেইবোৰ কাহিনীক 'ভাল লগাৰ' কাহিনী বুলি ধৰাই ভাল।



হঠাৎ এটা সন্ধিয়া এজনী ছোৱালীৰ অলপ দেখা ভৰি দুখনে সত্যেনক হঠাৎ চঞ্চল কৰি তোলাৰ ব্যাখ্যা এটাই ঃ সত্যেনে উপলব্ধি কৰিছে যে তেওঁৰ বিয়া কৰাবৰ বয়স হ'ল।

তাতে অমলাৰ ভৰি দুখন ধুনীয়া।

এটা কথা মনত পৰিছে।

আফজলে ময়ে হাইস্কুলত একেলগে পঢ়িছিলোঁ। সি ক'ৰবাত পিছ পৰিল, পাহৰিলোঁ, বোধকৰোঁ এইট মানলৈকে পঢ়িছিল। তাৰ পিছত আমাৰ বহুত দিন দেখা-দেখি নাই।

এদিন হঠাৎ তাক লগ পালোঁ, ৰেলৰ এটা দ্বিতীয় শ্ৰেণীৰ কোঠাত। মই আহিছিলোঁ গুৱাহাটীৰপৰা আৰু সি আহিছিল কলিকতা হৈ হায়দৰাবাদনে ক'ৰবাৰপৰা।

মাজৰ কোনোবা এটা ষ্টেচনত আৰু দুজনমান দ্বিতীয় শ্ৰেণীৰ যাত্ৰী উঠিল। বেশে-ভূষাই ভদ্ৰলোক। তেতিয়া ছিটৰ ওপৰত ভৰি তুলি আফজল বহি আছিল আৰু মোৰ লগত নানা সুখৰ-দুখৰ কথা আলোচনা কৰিছে। নতুনকৈ উঠা যাত্ৰীকেইজনৰ ঠাইৰ অলপ নাটনি পৰিছে।

এজন অলপ বয়সীয়া যাত্ৰীয়ে মাতত যথেষ্ট বিৰক্তিৰে ক'লে, "হেৰি, ভৰি দুখন বেঞ্চৰপৰা নমাই বহকচোন।" অৰ্থাৎ ছিটটো লেতেৰা কৰিছা আৰু দুজনৰ ঠাই অধিকাৰ কৰি বহিছা।

আফজলে এবাৰ মানুহজনৰ মুখলৈ আৰু এবাৰ নিজৰ ভৰি দুখনলৈ চালে। তাৰ পিছত ভৰি দুখন অলপ কোঁচাই আনি, মানুহজনক বহিবলৈ ঠাই কৰি দি ক'লে, "বহক, ভৰি দুখন নমাবলৈ নক'ব, লাগিলে কওক মূৰটোকে নমাই ক'ৰবাত থওঁ।"

আমি দুয়ো আফজলৰ মুখলৈ চালোঁ।

"আপোনালোকৰ মূৰটোৰ মূল্য আছে, তাৰ বলতে ৰেলৰ ছেকেণ্ড ক্লাছত আহিব পাৰিছে।"

"আপুনিওতো আহিছে—" মানুহজনে ক'লে।

"হয় আহিছোঁ, পিছে মূৰটোৰ বলত নহয়, মূৰটোত মোৰ একো নাই, ভৰি দুখনৰ বলত হে খাই আছোঁ।"

কৌতূহলেৰে মানুহজনে সুধিলে, "আপুনিনো কি কৰে?"

দাৰ্শনিকৰ দৰে আফজলে ক'লে, "ফুটবল খেলোঁ, ভৰি দুখনেই মোৰ সম্বল।"

মানুহজনৰো হাঁহি উঠিছিল।

কিন্তু আফজলৰ ভৰি আৰু অমলাৰ ভৰিৰ মাজত নিশ্চয় পাৰ্থক্য আছে।

আফজলৰ ভৰি তাৰ নিজৰ বাবে মূল্যবান, কিন্তু অমলাৰ ভৰিয়ে ডেকা উকীল সত্যেনৰ প্ৰাণত মাদকতা সানি গ'ল।

পৰিবাৰক কথাটো ক'লত আনন্দ পালে। মই ঘৰত নাথাকোঁতে, তেওঁ যদি তাৰ পিছত বাথৰুমত সোমাই নিজৰ ভৰি দুখন কিমান ধুনীয়া চাইছিল— মই ক'ব নোৱাৰোঁ।

মই বাট কাটি দিলোঁ। ৰায়বাহাদুৰ পুৰণি জালোৱাই; জাল-জুলুকি ক'ত কেনেকৈ মাৰিব লাগে ভালকৈ জানে।

ঘনাই সত্যেনে নিমন্ত্ৰণ পাবলৈ ধৰিলে।

লগতে ময়ো।

আমি নতুন নতুন গান শুনিলোঁ। নতুন নতুন কথাও শুনিলোঁ। আৰু চাহ-ভাতৰো যথেষ্ট উদাৰ ব্যৱহাৰ কৰা হ'ল। অলপ দিনৰ ভিতৰতে যে সত্যেনে উকীল হিচাপে ভাল নাম কৰিছে ৰায়বাহাদুৰে জানে।

আৰু অমলাও বোধকৰোঁ সাগৰ-সংগমত সাঁতুৰি অলপ ক্লান্ত হৈ পৰিছিল। উপকূলৰ আশ্ৰয় বিচাৰিছিল, আৰু সত্যেন নিৰ্ভৰযোগ্য উপকণ্ঠ।

কথাটো জনাজনি হৈ গ'ল—প্ৰায় সকলোতে। অৱশ্যে ৰায়বাহাদুৰৰ জীয়েক অমলাক সত্যেন উকীলে বিয়া কৰাব—সিমানেই ৰাষ্ট্ৰ হৈছিল। মাত্ৰ মই আৰু পৰিবাৰেহে জানিছিলোঁ যে সত্যেনক আকৰ্ষণ কৰিছিল অমলাৰ ধুনীয়া ভৰি দুখনে।

পিছলৈ অৱশ্যে—বিশেষকৈ পৰিবাৰৰ পৰামৰ্শত মই অলপ ফালৰি কাটিবলৈ ধৰিলোঁ। সত্যেনে আমনি পাব পাৰে—অৱশ্যে প্ৰতিদ্বন্দ্বী বুলি সন্দেহ নকৰে—আৰু অমলাইতো আমনি পাবই, মই লগত থাকিলে সত্যেনক বুজাত নিশ্চয় অসুবিধা হ'ব। দুয়ো দুয়োকো ভালকৈ বুজি পাবৰ কাৰণে অলপ নিবিড়ভাৱে লগ পোৱাৰ, কথা-বতৰা হোৱাৰ সুযোগৰ প্ৰয়োজন।

হয়তো মই অলপ লগ এৰা দিয়াত সত্যেনেও বেয়া নাপালে।

কথা পাতি আছিলোঁ। সত্যেনে দেশৰ বৰ্তমান ৰাজনৈতিক পৰিস্থিতিৰ ওপৰত নিজৰ মন্তব্য দিছিল। ভাৰতবৰ্ষত প্ৰকৃততে সমাজবাদ প্ৰতিষ্ঠা হোৱা নাই। যিহেতু ইয়াত সমাজবাদী উৎপাদনৰ ব্যৱস্থা হোৱা নাই। ক্ৰমে বিদেশী



বস্তুৰ আমদানি সংকুচিত কৰি দেশী বস্তুৰ প্ৰচলনৰ ব্যৱস্থা কৰা হৈছে। দেশী উৎপাদকসকলে স্বদেশী উৎপাদনৰ নামত নিজৰ টকা আৰু ৰাইজৰ টকা (চৰকাৰৰ যোগেদি ধাৰ লৈ) খটুৱাই উৎপাদন কৰিছে। লাভ ৰাইজলৈ অহা নাই, গৈছে উৎপাদকৰ ব্যক্তিগত পুঁজিলৈ। বিদেশী কেপিটেলৰ ঠাইত দেশীয় কেপিটেল খটুৱাই সমাজবাদ নহয়, হ'ব নোৱাৰে। বস্তুৰ দাম দিনক দিনে বাঢ়িছে, কাৰণ উৎপাদকৰ profit motive আছে, উৎপাদনৰ প্ৰধান প্ৰেৰণা— সমাজবাদ প্ৰতিষ্ঠা নহয়।

সত্যেনে নানা কথা পঢ়া-শুনা কৰে, ইপিনে সাংবাদিকো। মই কথাবোৰ শুনি গৈছিলোঁ।

এজন গাঁৱলীয়া বুঢ়া মানুহ আমাৰ চোতাললৈ সোমাই আহিল। কাপোৰ-কানিৰপৰাই বুজিলোঁ মানুহজনৰ অৱস্থা সুবিধাজনক নহয়।

মানুহজনে অলপ আগবাঢ়ি আহি আমাক উভয়কে প্ৰণাম জনালে। খালী পৰি থকা বেতৰ মুঢ়াটোতে বহিবলৈ ক'লোঁ। তেওঁ কিন্তু থিয় হৈয়ে ৰ'ল।

"আপুনি কাক বিচাৰিছে?" ময়ে সুধিলোঁ।

"আপোনালোককে বিচাৰিছোঁ। দুয়োগৰাকী হাকিমক একে ঠাইতে পালোঁ, ভালেই হ'ল।"

আমাক তেনেহ'লে বুঢ়াই চিনি পায়!

এইবাৰ বহিবলৈ কোৱাত মানুহজন মুঢ়াটোতে বহিল।

মানুহজনে ঢৰীয়া সূতাৰ এটা কুৰ্তা চোলা আৰু এখন ঠেক, ডাঠ চুৰিয়া পিন্ধিছে। কান্ধত এখন কপাহী গামোচা। চোলা-চুৰিয়াবোৰ খদ্দৰৰ হ'বলা।

মানুহজনে দুয়োৰে মুখলৈ চাই ক'লে, "আপোনালোকক বেছি পৰ আমনি নকৰোঁ। কথা এষাৰ জানিবৰ কাৰণেহে আপোনালোকক দেখি সোমালোঁ। কাচাৰীত মই দুয়োকো দেখিছোঁ—চিনি পাওঁ।"

মোৰ বৰ ভাল নালাগিল। বোধকৰোঁ কিবা মোকৰ্দমা লাগিছে। মোকৰ্দমা লগা মানুহ হাকিমৰ ঘৰলৈ অহাটো বৰ বাঞ্ছনীয় নহয়।

এইবাৰ সত্যেনে সুধিলে, "কি হ'লনো আপোনাৰ?"

বুঢ়াই উদাসীন মাতেৰে ক'লে, "বয়স হ'ল তিনিকুৰিৰ ওপৰ। এতিয়ালৈকে যে বাচি আছোঁ—কিবা দুৰ্কপাল। প্ৰথম অসহযোগ আন্দোলনতে

ফাটেক খাইছিলোঁ—সেইবাৰ ছমাহ। পিছৰ বেলি ত্ৰিছ চনত—খালোঁ এবছৰ, তাৰ পিছৰ বেলি যাব নোৱাৰিলোঁ, যোৱা-থোৱা বেমাৰ আছিল।"

আমি আকৌ এবাৰ মানুহজনৰ শুকান মুখখনলৈ চালোঁ।

মানুহজনে কৈ গ'ল, "যেনেকৈয়ে হওক দেশখন তেও স্বাধীন হ'ল। এতিয়া চৰকাৰে বোলে আগেয়ে দেশৰ কামত জেল খোৱা মানুহক পইচা দিছে, তাকে ক'তনো কেনেকৈ কি কৰিলে পায়, আপোনাসকলে যদি অকণ লাগি-মেলি দিয়ে। একো নাই। বৰ দুখীয়া হ'লোঁ। ঘৰৰ কাম কৰিবৰ সময়ছোৱাত দেশ আৰু ৰাইজৰ কাম কৰিলোঁ—যিকণ পাৰোঁ। এতিয়া আৰু দেহাই নাটানে। ইপিনে চলিবৰো উপায় নাই। নহ'লে দেশৰ কাৰণে কাম কৰি পইচা নিবিচাৰিলোঁহেঁতেন।"

আমাৰ চকুত বুঢ়াৰ প্ৰতি শ্ৰদ্ধা নামি আহিল। দুশ টকা দি দেশপ্ৰেমৰ প্ৰতি সন্মান দৰ্শোৱা নহয়—দেশপ্ৰেমক অপমান কৰা হয়! দেশৰ কাৰণে ত্যাগ স্বীকাৰ কৰা, কষ্ট ভোগ কৰা গৌৰৱৰ কথা। কিন্তু সেই ত্যাগে যাক সৰ্বস্বান্ত কৰিলে, দৰিদ্ৰ কৰিলে, সি আজি সামান্য ক্ষতিপূৰণেৰে নিজক সন্তুষ্ট কৰিবলগীয়াত পৰিছে। স্বাধীন ভাৰতৰ দুৰ্ভাগ্য।

বুঢ়াই ক'লে, "বৰদলৈৰে একেলগে জেল খাইছিলোঁ। আৰু কতই খাইছিল। কতৰ ভেটি-মাটি উছন্ন গ'ল। এই ইয়াৰ ৰায়বাহাদুৰ ব্ৰজেন ফুকনক কিজানি আপোনালোকে চিনি পায়।"

"ও পাওঁতো। তেৰোঁ জেল খাইছিল নেকি?"

শুকান সোলা মুখখনেৰে মানুহজনে আমালৈ চাই হাঁহিলে।

"জেল খালে ৰায়বাহাদুৰ হ'লহেঁতেন কেনেকৈ? তেওঁ আজি লাখ টকাৰ মালিক। পুতেক-জোঁৱায়েক সকলো ডাঙৰ মানুহ। চৰকাৰৰ খৰচতে আমেৰিকাত পঢ়ুৱাইছে। পিছে আপোনালোকে কিজানি নাজানে—তেওঁ যে কি মানুহ আছিল আমিহে জানো।"

কৌতূহলেৰে আমি বুঢ়াৰ কথাত মনোযোগ দিলোঁ।

"ত্ৰিছ চনত হ'বলা—আমি মদৰ দোকানত পিকেটিং কৰিছিলোঁ। মই মহললৈ সোমোৱা বাটতে—অ' নহয়—তাত আছিল জয়কান্ত—মই আছিলোঁ কাচাৰীঘৰৰ গেটত। হৰতাল হৈছিল। উকীল-হাকিমসকল আমি পিকেটিং কৰা দেখি ঘৰাঘৰি গুচি গৈছিল। ব্ৰজেন ফুকন তেতিয়া সৰু হাকিম, তেওঁ পিছে আমালৈ ভ্ৰূক্ষেপকে নকৰিলে।



"আমাৰ ভলণ্টিয়াৰবিলাকে খুব চিঞৰিছে—'ব্ৰিটিছৰ অফিছত নোসোমাব—স্বাধীনতাৰ কাৰণে কিছু ত্যাগ কৰক—আজি কোনো কামলৈ নাযাব।'

"আমাৰ কথা শুনি প্ৰায় সকলো আঁতৰি গ'ল, কিন্তু সৰু হাকিম ব্ৰজেন ফুকনে কাৰো হকা-বধালৈ কাণসাৰ নিদিলে। মই গেটত দীঘল দি পৰি আছিলোঁ, তেওঁ মোৰ গা ডেই যাব খুজিলে, মই দুয়োহাতে তেওঁৰ ভৰি দুখন সাবটি ধৰিলোঁ—'আজিলৈ নালাগে যাব ছাৰ—কোনো যোৱা নাই।'

"কিন্তু ফুকনে মোৰ কথালৈ কাণ নিদিলে। মোক গোৰ মাৰি বুকুৰ ওপৰতে এখন ভৰি দি জাঁপ মাৰি পাৰ হৈ গ'ল—ব্ৰিটিছৰ গোলামি কৰিবলৈ। সেইদিনা আৰু কোনো মানুহ কাচাৰীলৈ সোমোৱা নাছিল।"

বুঢ়া অলপ ৰ'ল। মই চাকৰ ল'ৰাটোক মাতি তেওঁক চাহ দিবলৈ ক'লোঁ।

চাহখিনি খাই উঠি বুঢ়াই ক'লে, "আপোনালোকক আমনিহে কৰিলোঁ, বেয়া নাপাব। আজি এবছৰমান অহা-যোৱা কৰিছোঁ, দৰ্খাস্তও দিলোঁ। পিছে দেখোন একো খবৰেই নাই। কাৰোবাক বোলে খাটনি ধৰিব লাগে। আপোনালোকে যদি কিবা উপায়-বুদ্ধি দিলেহেঁতেন! আৰুনো বাচিম কেইদিন।"

কেনেকৈ কি কৰিব লাগিব বুঢ়াক কৈ আমি বিদায় দিলোঁ। সন্ধিয়া নামি আহিছিল।

অন্য দিনাৰ দৰে আমি দুয়ো ফুৰিবলৈ ওলাই গ'লোঁ। বুঢ়াৰ কথাখিনিয়ে যেন সত্যেনক অলপ বিমৰ্ষ কৰি পেলাইছিল। বাটত বেছি কথা তেওঁ আৰু নাপাতিলে। মাত্ৰ সাধাৰণভাৱে ক'লে, "স্বাধীন ভাৰতত এজন দেশকৰ্মীক এইদৰে মগনীয়া কৰা মানে স্বাধীনতাক অপমান কৰা। এটা উচ্ছন্ন যোৱা পৰিয়ালক এশ বা দুশ টকাৰে সংস্থাপন কৰা নাযায়। দেশৰ সমগ্ৰ অৰ্থনৈতিক পৰিবেশটোৰ আমূল পৰিবৰ্তন কৰিব নোৱাৰিলে বাছি বাছি কেইজনমান পলিটিকেল ছাফাৰাৰক দুপইচা দিয়া অৰ্থহীন কথা।"

পিছৰ সপ্তাহত অমলাৰ লগত সত্যেনৰ বিয়াৰ এটা পকা সিদ্ধান্ত কৰাৰ কথা আছিল। শনিবাৰ বা দেওবাৰে আঙঠি পিন্ধোৱাৰ কথা।

ৰাতি আমি শুবলৈ ধৰিছিলোঁ।

সত্যেনে আহি মাত লগালেহি, "শুলে নেকি?"

"নাই শোৱা, ৰখ গৈছোঁ—" ভিতৰৰপৰাই মাত লগাই ওলাই আহিলোঁ। বেচেৰা ডেকা মানুহ—শুভ অনুষ্ঠানটোৰ কথা চিন্তা কৰি অলপ অধৈৰ্য্য হৈছে। নহ'লে ৰাতিখন কিয় মাতিবহি।

দুয়ো পটিকতে বহিলোঁ।

সতোনৰ মুখখনত দেখিলোঁ এটা উদ্বিগ্নতা।

"কিবা কথা আছিল?"

"বিশেষ কথা একো নহয়। আপুনি এটা কাম কৰিব লাগিব। কাইলৈ পুৱাতে কৰিব লাগিব কিন্তু—"

"কি কামনো? আঙঠি জানো সোণাৰিৰ ঘৰৰপৰা অনা নাই?"

"আঙঠি অনাৰ আৰু দৰকাৰ নহ'ব।" গম্ভীৰ হৈ সত্যেনে ক'লে।

মই ৰহস্য অনুভৱ কৰিলোঁ।

"কিয়?"

"এই বিয়া নহ'ব।"

কথাষাৰত মই এটা অপ্ৰত্যাশিত আঘাত পালোঁ।

"কিন্তু—কিন্তু—কিয়?" মোৰ উদ্বিগ্নতা বাঢ়িছিল, "কাৰণ কি?"

গম্ভীৰভাৱে সত্যেনে ক'লে, "দুখন ভৰি।"

আহ্, ৰাতি দুপৰত কি ধেমালি আৰম্ভ কৰিছে সত্যেনে!

"আপোনাৰ কথা মই বুজা নাই সঁচাকৈ।"

আত্মস্থভাৱে সত্যেনে লাহে লাহে ক'লে, "আপুনিও দেখিছে, অমলাৰ ভৰি দুখন ধুনীয়া দেখি মোৰ ভাল লাগিছিল। কিন্তু অমলাৰ দেউতাক ৰায়বাহাদুৰৰ ভৰি দুখনৰ কথা আপুনি ভাবি চাইছে নে?"

মই হতভম্ব হৈ গ'লোঁ। ৰায়বাহাদুৰৰ ভৰিৰ কথা ভাবিবলগীয়া হ'ল?

সত্যেনে কৈ গ'ল, "বুঢ়াজনে কোৱা কথাখিনি মোৰ মনৰপৰা যোৱা নাই। যি দুখন ভৰিয়ে এজন দেশপ্ৰেমিক সত্যাগ্ৰহীক বুকুত গুৰিয়াই গোলামিৰ কাৰণে জঁপিয়াই যাব পাৰে, সেই দুখন ভৰি শহুৰৰ ভৰি বুলি সেৱা বা প্ৰণাম কৰিব মই নোৱাৰিম। তাতকৈ সেইদিনাৰ বুঢ়াজনৰ ভৰি দুখনত মূৰ থৈ মই পৰি থাকিবলৈ একো বেয়া নাপাম। তেওঁ সেই ভৰিৰে খোজ কাঢ়ি আমাৰ স্বাধীনতাৰ কাৰণে জেললৈ গৈছিল, আৰু ৰায়বাহাদুৰে তেওঁৰ ভৰিৰে তেনে সত্যাগ্ৰহীৰ বুকুকে গচকি গৈছিল।" অলপ পৰ সত্যেন মনে মনে থাকিল।

মই তেওঁৰ মুখলৈ চালোঁ।



হাঁহিবৰ অলপ চেষ্টা কৰি সত্যেনে অনুশোচনাৰ ক্ষীণ সুৰ এটা মাতত সানি ক'লে, "অমলাৰ ভৰি দুখন অবশ্যে ধুনীয়াই আছিল, নহয় জানো?"

কিন্তু অমলাৰ দেউতাক ৰায়বাহাদুৰৰ কদাকাৰ ভৰি দুখনৰ কথা আকৌ এবাৰ উল্লেখ কৰাৰ প্ৰয়োজন মই নেদেখিলোঁ।

সেই দুখন জানো ভৰি?